
# পাঠ - ১৪
# আমাৰ ক্ষুদ্ৰ উদ্যোগ






অসম পাট-মুগা, কাঁহ-পিতল আৰু মৃৎশিল্পৰ বাবে বিখ্যাত। পুৰণি কালৰ পৰা এই শিল্পসমূহে অসমৰ কিছুমান নিৰ্দিষ্ট অঞ্চলত প্ৰসাৰ লাভ কৰিছে। অতীতৰ পৰা অসমৰ কিছুসংখ্যক লোকে পাট-মুগা, এৰী আৰু কপাহী কাপোৰ ঘৰতে বোৱা-কটা কৰি বেচা-কিনা কৰি অহিছে। এৰী, মুগা আৰু পাট পলুৰ পৰা বিশেষ পদ্ধতিৰে সূতা উলিয়াই তাঁতশালত বৈ কাপোৰ তৈয়াৰ কৰা হয়।





বৰ্তমান অসমৰ বহুতো ঠাইত ব্যক্তিগতভাৱে বা আত্ম সহায়ক গোটসমূহৰ জৰিয়তে ব্যৱসায়িক ভিত্তিত এই পাট-মুগা, এৰী কাপোৰবোৰ তৈয়াৰ কৰিবলৈ লৈছে। এইদৰে একো একোটা 'বয়ন কেন্দ্ৰ' গঢ়ি উঠিছে। অসমৰ শুৱালকুছি, ঢকুৱাখনা আদি ঠাই পাট-মুগা কাপোৰৰ বাবে বিখ্যাত।





**শুৱালকুছিত এই বয়ন কেন্দ্ৰসমূহ কেন্দ্ৰীভূত হৈ আছে বাবে ঠাইখনক বস্ত্ৰনগৰী বোলে।**

কুমাৰৰ চাক ব্যৱহাৰ কৰি ব্যৱসায়িক ভিত্তিত কম সংখ্যক মানুহৰ সহায়ত মাটিৰ বিভিন্ন বস্তু গঢ় দিয়া হয়। এই মাটিৰ বস্তুবোৰ গঢ় দিবলৈ আলতীয়া মাটিৰ প্ৰয়োজন। আমাৰ দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা কিছুমান সামগ্ৰী যেনে- চৰু, লোটা, কলহ, কাঁহী, গিলাচ, বাটি আদি মাটিৰে তৈয়াৰ কৰা হয়। ইয়াৰ উপৰি আমি সজোৱা বিভিন্ন আকৰ্ষণীয় বস্তু যেনে- ফুলদানী, মূৰ্তি, পুতলা আদিও মাটিৰে তৈয়াৰ কৰি লোৱা হয়। এইবোৰেই হৈছে **মৃৎশিল্প**।







মৃৎ শিল্পৰ অন্যতম আকৰ্ষণ হ'ল **'টেৰাকোটা'**। এই শিল্পত আলতীয়া আৰু বালিচহীয়া মাটি মিহলাই লৈ মাটিৰে বিভিন্ন বস্তু যেনে- মূৰ্তি, পুতলা আৰু বিভিন্ন আকৃতিৰ জীৱ-জন্তু আকৰ্ষণীয়ভাৱে গঢ় দিয়া হয়। পিছত এই মাটিৰ বস্তুবোৰ ৰ'দত শুকুৱাই ভাটিৰ জুইত পুৰি তৈয়াৰ কৰা হয়। এইদৰে কোনো কোনো ঠাইত **মৃৎশিল্পকেন্দ্ৰ** একো একোটা গঢ় লৈ উঠিছে।

**অসমৰ আশাৰীকান্দি, হাজো, কৰিমগঞ্জ আদি মৃৎশিল্পৰ বাবে বিখ্যাত।**

কাঁহ পিতল তৈয়াৰ কৰিবলৈ প্ৰয়োজনীয় কেঁচা সামগ্ৰীবোৰ ভাটিৰ জুইত গলাই হাতেৰে চুব পৰাকৈ ঠাণ্ডা কৰি লোৱা হয়। হাতুৰীৰে কোবাই কোবাই প্ৰয়োজন অনুসৰি মাজে মাজে জুইৰ তাপ দি বিভিন্ন আকৃতিৰ বাচন-বৰ্তন তৈয়াৰ কৰা হয়। কাঁহ-পিতলৰ সামগ্ৰীৰ ভিতৰত কাঁহী, বাটি, টৌ, ঘটি, গিলাচ, কলহ, শৰাই, বটা, হেতা, চামুচ আৰু ধুনীয়া ধুনীয়া ফুলদানীয়েই প্ৰধান। এই সামগ্ৰীবোৰ কিছুসংখ্যক লোকে ব্যৱসায়িক ভিত্তিত তৈয়াৰ কৰে। এইদৰেই অসমৰ কিছুমান ঠাইত কাঁহ-পিতল শিল্পকেন্দ্ৰ গঢ়ি উঠিছে। এই শিল্প কোনো কোনো লোকে পৰম্পৰাগতভাৱে চলাই আহিছে।








**অসমৰ সৰ্থেবাৰী কাঁহ শিল্প আৰু হাজো পিতল শিল্পৰ বাবে বিখ্যাত।**

মানচিত্ৰ চাই অসমৰ কোন ঠাইত কি কুটীৰ শিল্প আছে কোৱা-



## ক্ৰিয়া-কলাপ

মানচিত্ৰ চাই তলৰ খালী ঘৰবোৰ পূৰ কৰা-

| ঠাইৰ নাম | কুটীৰ শিল্পৰ নাম |
|---|---|
| সৰ্থেবাৰী | কাঁহ শিল্প |
| | |
| | |
| | |
| | |
| | |

**এই শিল্পসমূহত ব্যৱহাৰ কৰা কেঁচা সামগ্ৰীবোৰ সাধাৰণতে স্থানীয়ভাৱে সহজতে পোৱা যায়। এনে সামগ্ৰীসমূহ উৎপাদন কৰোঁতে যন্ত্ৰ-পাতি কম ব্যৱহাৰ কৰা হয়। কম সংখ্যক মানুহে ঘাইকৈ শাৰীৰিক শ্ৰমৰ জৰিয়তে এইবোৰ উৎপাদন কৰে। ইয়াত মূলধন কমকৈ লাগে। এই কামৰ দ্বাৰা মানুহৰ দৈনিক প্ৰয়োজনীয় কিছু সামগ্ৰী প্ৰস্তুত কৰা হয়। এনে উৎপাদন ব্যৱস্থাই হৈছে কুটীৰ শিল্প।**

**এই কুটীৰ শিল্পৰ পৰা আমি কি কি দিশত লাভৱান হওঁ জানি লওঁ আহা-**

- উৎপাদিত সামগ্ৰীসমূহ আমাৰ প্ৰয়োজনীয় বিভিন্ন কামত ব্যৱহাৰ কৰিব পাৰোঁ।
- দেশৰ কলা-সংস্কৃতি ধৰি ৰাখে।
- এই শিল্পকেন্দ্ৰবোৰত কাম কৰি বহুতো মানুহে জীৱিকা নিৰ্বাহ কৰে।
- এই কুটীৰ শিল্পসমূহে আমাৰ দেশক আৰ্থিক উন্নয়নত সহায় কৰে।
- উদ্যোগসমূহত তৈয়াৰ কৰা সামগ্ৰীসমূহ দেশ-বিদেশৰ বিভিন্ন ঠাইলৈ বিক্ৰীৰ বাবে পঠিওৱা হয়।

**কঁহাৰে কাঁহৰ বাচন, কুমাৰে মাটিৰ বাচন আৰু শিপিনীয়ে কাপোৰ তৈয়াৰ কৰে।**

## ক্ৰিয়া-কলাপ

তলত উল্লেখ কৰা সামগ্ৰীসমূহ কোন কোন কুটীৰ শিল্পৰ লগত জড়িত তাৰ এখন তালিকা প্ৰস্তুত কৰা-


| | | | | | | |
|---|---|---|---|---|---|---|
| টেকেলি | বটা | মেখেলা-চাদৰ | কাঁহী-বাটি | চাকি | লোটা | ৰিহা |
| গামোছা | শৰাই | চেলেং চাদৰ | বানবাটি | ঘটি | হেতা | গছা |

অসমৰ চাহ উদ্যোগৰ বিষয়ে জানো আহা-



অসমত প্ৰচুৰ পৰিমাণে চাহপাত উৎপন্ন হয়। বৃটিছসকলে প্ৰথম অসমত চাহখেতি আৰম্ভ কৰিছিল। অসমত ৮৫০ খনতকৈও অধিক ডাঙৰ চাহ বাগান আছে। ইয়াৰ উপৰি বহুতো সৰু সৰু চাহ বাগান আছে। অসমৰ তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, শোণিতপুৰ জিলাত বেছি সংখ্যক আৰু দৰং, কামৰূপ জিলাত কম সংখ্যক চাহ বাগান আছে। বাগানৰ পৰা কুমলীয়া পাত ছিঙি, শুকুৱাই বিশেষ পদ্ধতিৰে মেচিনত চাহপাত তৈয়াৰ কৰা হয়। এইদৰে চাহবাগানবোৰক লৈ একো একাটা চাহপাত উৎপাদন কেন্দ্ৰ গঢ় লৈ উঠে।





ব্যৱসায়িক ভিত্তিত গঢ় লৈ উঠা এই উৎপাদন কেন্দ্ৰবোৰ একো একোটা ক্ষুদ্ৰ উদ্যোগত পৰিণত হয়। এই চাহবাগিছাসমূহত কাম কৰি প্ৰায় ছয় লাখ লোকে জীৱিকা নিৰ্বাহ কৰি আছে। অসমৰ চাহপাত ভাৰতৰ বিভিন্ন ঠাই আৰু বিদেশলৈ পঠিওৱা হয়। এই চাহপাত বিদেশলৈ ৰপ্তানি কৰি আমাৰ দেশ আৰ্থিকভাৱে লাভৱান হৈছে।

**অসমৰ সকলো উদ্যোগৰ ভিতৰত চাহ উদ্যোগ আটাইতকৈ গুৰুত্বপূৰ্ণ উদ্যোগ।**

## অনুশীলনী

১। উত্তৰ লিখা-

(ক) কুটীৰ শিল্প কাক বোলে?

(খ) মৃতশিল্পৰ বিশেষ আকৰ্ষণ কি?

(গ) বাগানত চাহপাত কেনেকৈ তৈয়াৰ কৰা হয়?

২। চমু উত্তৰ লিখা-

(ক) অসমত থকা দুবিধ কুটীৰ শিল্পৰ নাম।

(খ) চাহখেতি কৰা তিনিখন জিলাৰ নাম।

(গ) অসমত কোনটো উদ্যোগে অধিক পৰিমাণে আমাৰ দেশক আৰ্থিক উন্নয়নত সহায় কৰিছে?

(ঘ) অসমৰ কোনখন ঠাইক বস্ত্ৰনগৰী বোলে?

(ঙ) মৃৎশিল্প কেন্দ্ৰ থকা তিনিখন ঠাইৰ নাম।

(চ) বয়ন কেন্দ্ৰত উৎপাদন হোৱা দুবিধ কাপোৰৰ নাম।

৩। শুদ্ধ বাক্যত '✓' চিন দিয়া-

(ক) কুটীৰ শিল্পত যন্ত্ৰ-পাতিৰ ব্যৱহাৰ বেছি।

(খ) অসমৰ চাহ আটাইতকৈ গুৰুত্বপূৰ্ণ উদ্যোগ।

(গ) ঢকুৱাখনাত বয়নকেন্দ্ৰ আছে।

(ঘ) অসমৰ পাট-মুগা কাপোৰে দেশে-বিদেশে আদৰ পাইছে।

(ঙ) বয়নকেন্দ্ৰৰ অন্যতম আকৰ্ষণ টেৰাকোটা।

৪। **'ক'** অংশৰ লগত **'খ'** মিলোৱা-

| **'ক'** | **'খ'** |
|---|---|
| সৰ্থেবাৰী | পিতলৰ শিল্প |
| ঢকুৱাখনা | মৃৎশিল্প |
| আশাৰীকান্দি | কাঁহৰ শিল্প |
| হাজো | বয়ন শিল্প |

৫। কাঁহৰ বাচন তৈয়াৰ কৰা মানুহজনক কি বোলে?

৬। অসমত চাহ উদ্যোগ গঢ় লৈ উঠাৰ কাৰণ কি?